# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI

0000000000

**Date :** 04-04-2025
**Time :** 18-45 HRS

***Assamese Evening Bulletin***

- - - - - - - - - - - - - -

১। ৰাজ্য চৰকাৰৰ কৰ্মচাৰী আৰু পেন্সনভোগীসকলৰ বাবেঅতিৰিক্ত ২ শতাংশ মৰগীয়া বানচ বৃদ্ধিৰ অসম চৰকাৰৰ সিদ্ধান্ত।

২। ৰাভা-হাছং স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচনত শাসনত অধিষ্ঠিত বিজেপি আৰু ৰাভা-হাচং যৌথ মঞ্চৰ প্ৰাৰ্থীৰ নিশ্চিত সংখ্যাগৰিষ্ঠতা লাভৰ দিশত অগ্ৰসৰ।

৩। অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ উচ্চতৰ মাধ্যমিক প্ৰথমবৰ্ষৰ বাকী থকা পৰীক্ষাসমূহ বাতিলৰ সিদ্ধান্ত গ্ৰহণ।

৪। আজি পুৱা মুম্বাইত দেহাৱসান ঘটা প্ৰবীন অভিনেতা-পৰিচালক মনোজ কুমাৰৰ কাইলৈ মুম্বাইত অন্ত্যেষ্টিক্ৰিয়া। *আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি লক্ষ্নৌ ছুপাৰ জায়েণ্টছ, মুম্বাই ইণ্ডিয়ানছৰ মুখামুখি।

ৰাজ্য চৰকাৰৰ কৰ্মচাৰী আৰু পেন্সনভোগীসকলৰ বাবে যোৱা ১ জানুৱাৰীৰ পৰা কাৰ্যকৰী হোৱাকৈ অতিৰিক্ত ২ শতাংশ মৰগীয়া বানচ বৃদ্ধি কৰাৰ বাবে অসম চৰকাৰে সিদ্ধান্ত লৈছে। জনতাভৱনত আজি অনুষ্ঠিত মন্ত্ৰীসভাৰ এখন বৈঠকৰ পাছতে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সংবাদ মাধ্যমৰ আগত এই কথা প্ৰকাশ কৰে। তেওঁ লগতে কয়, যে অসম চৰকাৰে ৰাজ্যখনৰ চিকিৎসালয় আৰু চিকিৎসা মহাবিদ্যালয় হাস্পতালসমূহত দৰিদ্ৰ আৰু মধ্যবিত্ত শ্ৰেণীৰ লোকসকললৈ উন্নতমানৰ স্বাস্থ্য সেৱা, বিশেষকৈ বিনামূলীয়া ঔষধৰ সুবিধা আগবঢ়োৱাৰ বাবে স্বাস্থ্য বিভাগলৈ ১৯০ কোটি টকা মঞ্জুৰ কৰিছে।

সময়ৰ লগে লগে দুৰ্বল হৈ অহা ৰাজ্যৰ মথাউৰিসমূহৰ সুৰক্ষাৰ বাবে মথাউৰি নিৰীক্ষণ আৰু বান প্ৰস্তুতি সমিতি গঠনত আজিৰ মন্ত্ৰীসভাৰ বৈঠকত অনুমোদন জনোৱা হয়। জিলা আৰু সমজিলা পৰ্যায়ত এই সমিতিসমূহ গঠন কৰা হ'ব।

*(বাইট ঃ মুখ্যমন্ত্ৰী)*

আজিৰ বৈঠকত চাহ জনগোষ্ঠীৰ বাবেও কেতবোৰ গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সেই অনুসৰি ৭৫০ কোটি টকা ব্যয়ৰে ৫০০ চাহ বাগিচাত নিৰ্মাণ কৰা মহাপ্ৰভু জগন্নাথ সামুহিক ভৱন তথা দক্ষতা কেন্দ্ৰৰ তত্বাৱধান আৰু সঠিক কাৰ্যকলাপ সুনিশ্চিত কৰণৰ বাবে এখন ব্যৱস্থাপনা সমিতি গঠন কৰা হ'ব।

মন্ত্ৰীসভাৰ আজিৰ বৈঠকত জাগীৰোডত ১৪২ কোটি টকা ব্যয় সাপেক্ষ প্ৰায় এহেজাৰ কৰ্মৰত মহিলাৰ বাবে এটা অত্যাধুনিক হোষ্টেল নিৰ্মাণৰ বাবেও সিদ্ধান্ত গ্ৰহণ কৰা হয়। তদুপৰি নগৰ অঞ্চলত জলবায়ু পৰিৱৰ্তনৰ বিষয়ত নীতিগত হস্তক্ষেপৰ জৰিয়তে পৰামৰ্শ আৰু কাৰ্যকৰী ব্যৱস্থা গ্ৰহণৰ বাবে অসম নগৰ জলবায়ু কেন্দ্ৰ স্থাপনত অনুমোদন জনোৱা হয়। মন্ত্ৰীসভাই বিদেশী ন্যায়াধীকৰণত চলি থকা ২৮ হাজাৰ কোচ ৰাজবংশী লোকৰ গোচৰ তাৎক্ষণিকভাৱে প্ৰত্যাহাৰৰ সিদ্ধান্তও গ্ৰহণ কৰিছে।

০০০০

ৰাভা-হাছং স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচনত শাসনত অধিষ্ঠিত বিজেপি আৰু ৰাভা-হাচং যৌথ মঞ্চৰ প্ৰাৰ্থীয়ে নিশ্চিত সংখ্যাগৰিষ্ঠতা লাভৰ দিশত অগ্ৰসৰ হৈছে।

কামৰূপ জিলাৰ ১৪টা পৰিষদীয় সমষ্টিৰ ১০টাত ৰাভা যৌথ সংগ্ৰাম সমিতি, তিনিটা সমষ্টিত বিজেপি আৰু এটা সমষ্টিত নিৰ্দলীয় প্ৰাৰ্থীৰ বিজয় সুনিশ্চিত হৈছে। ভোটগণনাৰ শেহতীয়া তথ্য সন্দৰ্ভত আমাক জনাইছে কামৰূপৰ পৰা আমাৰ সংবাদদাতা কৌশিক দাসে–

*(বাইট ঃ কৌশিক দাস)*

বকো সমষ্টিত এন ডি এ যৌথ মঞ্চৰ প্ৰাৰ্থী সুমিত ৰাভা, জোঙাখুলি সমষ্টিত এন ডি এ যৌথ মঞ্চৰ প্ৰাৰ্থী অৰ্জুন ছেত্ৰী, উত্তৰ বনগাঁৱত এন ডি এ যৌথ মঞ্চৰ প্ৰাৰ্থী আদিত্য ৰাভা, জাৰিহাট সমষ্টিত এন ডি এ যৌথ মঞ্চৰ প্ৰাৰ্থী অশোক কুমাৰ ৰাভা, পাণ্টানত এন ডি এ যৌথ মঞ্চৰ প্ৰাৰ্থী ৰমাকান্ত ৰাভা, গোবৰ্ধনত এন ডি এ যৌথ মঞ্চৰ প্ৰাৰ্থী জ্যোতিষ চন্দ্ৰ ৰাভা, ৰাণী সমষ্টিত এন ডি এ যৌথ মঞ্চৰ প্ৰাৰ্থী পুষ্পাঞ্জলি কুমাৰী বড়ো, দক্ষিণ বনগাঁও সমষ্টিত এন ডি এ যৌথ মঞ্চৰ প্ৰাৰ্থী মিনতি ৰাভা, চানডুবিত এন ডি এ যৌথ মঞ্চৰ প্ৰাৰ্থী নৃপেন চন্দ্ৰ ৰাভা আৰু কুলচি সমষ্টিত এন ডি এ যৌথ মঞ্চৰ প্ৰাৰ্থী ৰশ্মি মালা ৰাভা, শিলপোটা সমষ্টিত বিজেপি প্ৰাৰ্থী কমলেশ্বৰ ৰাভা, বামুনীগাঁও সমষ্টিত বিজেপি প্ৰাৰ্থী অজিৎ ৰাভা, বন্দাপাৰা সমষ্টিত বিজেপি প্ৰাৰ্থী মেঘালি ৰাভা আৰু লুকি সমষ্টিত নিৰ্দলীয় প্ৰাৰ্থী ৰেলিনা জে মাৰাক তৃতীয় তথা অন্তিম পৰ্যায়ৰ ভোট গণনাৰ অন্তত নিকটতম প্ৰাৰ্থীতকৈ নিৰ্ণায়ক ভোটত আগবাঢ়ি থকা হেতুকে তেওঁলোকৰ বিজয় সুনিশ্চিত হৈছে। অৱশ্যে আনুষ্ঠানিকভাৱে এই ফলাফল ঘোষণা কৰিবলৈ এতিয়াও বাকী আছে বুলি আমাৰ কামৰূপৰ সংবাদদাতাই জনাইছে।

গোৱালপাৰা জিলাৰ ১৯ টা পৰিষদীয় সমষ্টিটো এন ডি এ মিত্ৰজোঁটৰ প্ৰাৰ্থীয়ে সংখ্যাগৰিষ্ঠতা লাভৰ দিশত আগবাঢ়িছে। ধুপধৰা সমষ্টিত ৰাভা-হাচং যোথ সংগ্ৰাম সমিতিৰ অনাদি চৰকাৰ, কোঠাকুটি সমষ্টিত বিজেপি প্ৰাৰ্থী ভৈৰৱ কছাৰী, দুধনৈ সমষ্টিত ৰাভা-হাচং যোথ সংগ্ৰাম সমিতিৰ উজ্বলা ব্ৰহ্ম, মাজজাখিলি সমষ্টিত ৰাভা-হাচং যোথ সংগ্ৰাম সমিতিৰ প্ৰবোধ কলিতা, ধনুভাঙা সমষ্টিত ৰাভা-হাচং যোথ সংগ্ৰাম সমিতিৰ ফণীন্দ্ৰ ৰাভা, হাব্ৰাঘাট সমষ্টিত ৰাভা-হাচং যোথ সংগ্ৰাম সমিতিৰ প্ৰতাপ ৰাভা, দক্ষিণ দুধনৈ সমষ্টিত ৰাভা-হাচং যোথ সংগ্ৰাম সমিতিৰ টংকেশ্বৰ ৰাভা আৰু কুশধোৱা-দৰংগিৰি সমষ্টিত কংগ্ৰেছ প্ৰাৰ্থী পৰমা ৰাভাই অন্তিম ৰাউণ্ডত বৃহৎ ব্যৱধানত অগ্ৰগতি লাভ কৰিছে। গোৱালপাৰা জিলাতো এতিয়ালৈকে আনুষ্ঠানিক ফলাফল ঘোষণা কৰিবলৈ বাকী আছে বুলি আমাৰ সংবাদদাতাই জনাইছে।

উল্লেখযোগ্য যে, ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচনৰ বাবে গোৱালপাৰা জিলাত ২০টা সমষ্টি আছিল যদিও ইয়াৰে এটা সমষ্টিৰ প্ৰাৰ্থী বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হোৱাত ১৯টা সমষ্টিত ভোটগ্ৰহণ কৰা হৈছিল।

০০০০

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে উচ্চতৰ মাধ্যমিক প্ৰথমবৰ্ষৰ বাকী থকা পৰীক্ষাসমূহ বাতিলৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। পঞ্চায়ত নিৰ্বাচনৰ দিন ঘোষণা হোৱাৰ পৰিপ্ৰেক্ষিতত শিক্ষকসকল নিৰ্বাচনী কাম-কাজত ব্যস্ত থকাৰ উপৰি ২০ মে' পৰ্যন্ত নিৰ্বাচনী প্ৰক্ৰিয়া চলিবলগীয়া বিষয়টো বিবেচনা কৰি বিদ্যালয় শিক্ষা পৰিষদে এই সিদ্ধান্ত গ্ৰহণ কৰিছে। এই সন্দৰ্ভত পৰিষদৰ সচিবে জাৰি কৰা নিৰ্দেশণা অনুসৰি প্ৰথমবৰ্ষৰ পৰীক্ষাত অৱতীৰ্ণ হোৱা সকলো পৰীক্ষাৰ্থীয়ে উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ পৰীক্ষাত অৱতীৰ্ণ হ'ব পাৰিব। কোনো শিক্ষানুষ্ঠান বা শিক্ষাৰ্থীয়ে পৰীক্ষা অনুষ্ঠিত নোহোৱা বিষয়কেইটাৰ দক্ষতা পৰীক্ষা কৰিব বিচাৰিলে

সংশ্লিষ্ট মহাবিদ্যালয়ৰ পৰা অধ্যয়ন আৰু অনুশীলনৰ বাবে প্ৰশ্নকাকত সংগ্ৰহ কৰিব পাৰিব বুলিও নিৰ্দেশনাটোত উল্লেখ কৰা হৈছে। অৱশ্যে প্ৰশ্ন কাকতৰ টোপোলা খোলাৰ বাবে যিসমূহ শিক্ষানুষ্ঠানৰ বিৰুদ্ধে তদন্ত চলি আছে, তেনে শিক্ষানুষ্ঠানে সংশ্লিষ্ট মহাবিদ্যালয়ৰ পৰা দক্ষতা পৰীক্ষাৰ বাবে প্ৰশ্ন কাকত আনিব নোৱাৰিব। পৰিষদে লগতে ছাত্ৰ-ছাত্ৰীসকলৰ একাদশ শ্ৰেণীৰ মাৰ্কশ্বিটসমূহ বিদ্যালয় শিক্ষা পৰিষদৰ সংমণ্ডল দুইৰ ৱেবছাইটৰ পৰা ডাউনলোড কৰিবলৈ শিক্ষানুষ্ঠানসমূহক কৰ্তৃত্ব প্ৰদান কৰিছে। নিৰ্দেশনাটোত উল্লেখ কৰা অনুসৰি গোট পৰীক্ষা, ছমহীয়া পৰীক্ষা বা হৈ যোৱা প্ৰথমবৰ্ষৰ পৰীক্ষাকেইটাত লাভ কৰা গড় নম্বৰৰ ভিত্তিত বাকী থকা বিষয়কেইটাত ছাত্ৰ-ছাত্ৰীসকল নম্বৰ প্ৰদান কৰিব লাগিব। অহা ১৫ জুনৰ ভিতৰত নম্বৰ প্ৰদানৰ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিবলৈ ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে নিৰ্দেশ জাৰি কৰিছে।

০০০০

আজি পুৱা মুম্বাইত দেহাৱসান ঘটা প্ৰবীন অভিনেতা-পৰিচালক মনোজ কুমাৰৰ অন্ত্যেষ্টিক্ৰিয়া কাইলৈ দিনৰ ১১ বজাত মুম্বাইৰ পৱনহংসত সম্পন্ন কৰা হ'ব। বৰ্ষীয়ান অভিনেতাগৰাকীৰ বিয়োগত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড় আৰু প্ৰধানমন্ত্ৰীয়ে নৰেন্দ্ৰ মোদীকে ধৰি দেশৰ বিশিষ্ট ব্যক্তিসকলে গভীৰ শোক প্ৰকাশ কৰিছে।

উল্লেখযোগ্য যে বলিউদৰ কিংবদন্তি অভিনেতাগৰাকী তেওঁৰ দেশপ্ৰেমমূলক চলচ্চিত্ৰৰ বাবে ভাৰত কুমাৰ নামেৰে জনাজাত আছিল। ভাৰতীয় চিনেমালৈ আগবঢ়োৱা উল্লেখনীয় অৱদানৰ বাবে তেওঁক পদ্মশ্ৰী সন্মান আৰু দাদাচাহেব ফাল্কে বঁটাৰে সন্মানিত কৰা হৈছিল। মনোজ কুমাৰে বলিউদত দেশপ্ৰেমমূলক চলচ্চিত্ৰৰ এটা নতুন ধাৰা সৃষ্টি কৰিছিল।

*(গান)*

উপকাৰ, পূৰব ঔৰ পশ্চিম আৰু ক্ৰান্তিৰ লেখীয়া কালজয়ী কথাছবিৰে প্ৰবীন অভিনেতাগৰাকীয়ে দৰ্শকৰ মন জয় কৰিবলৈ সমৰ্থ হৈছিল। অভিনেতাগৰাকীৰ আন চলচ্চিত্ৰসমূহৰ ভিতৰত পথৰ কে চনম, চৌৰ, সন্ন্যাসী আৰু ৰ'টি কপড়া ঔৰ মকান অন্যতম। ১৯৯২ চনত তেওঁক পদ্মশ্ৰী সন্মানেৰে সন্মানিত কৰাৰ উপৰি ২০১৫ চনত দাদাচাহেব ফাল্কে বঁটা প্ৰদান কৰা হয়।

০০০০

অসম সাহিত্য সভাই প্ৰতিবছৰে পহিলা ব'হাগৰ দিনটো নিজৰ দিন হিচাপে পালন কৰি আহিছে। সেই অনুসৰি অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিত বৰাই সমূহ জিলা আৰু শাখা সাহিত্য সভালৈ আজি পত্ৰ প্ৰেৰণ কৰি পহিলা ব'হাগৰ দিনটো ৬৫ বছৰৰ উৰ্ধৰ জাতীয় জীৱনৰ লগত সংপৃক্ত ব্যক্তিসকলৰ ঘৰলৈ গৈ বিহুৰ শুভেচ্ছা আৰু সন্মান জনাবলৈ আহ্বান জনাইছে। উল্লেখযোগ্য যে অসম সাহিত্য সভাই প্ৰতিবছৰে পালন কৰি অহা **নিজৰ দিন** অনুষ্ঠানটিৰ জৰিয়তে অসমীয়া কৃষ্টি, সংস্কৃতিৰ বিকাশ আৰু জাতীয় জীৱনলৈ অৱদান আগবঢ়োৱা ব্যক্তিসকলক সন্মানিত কৰাৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে।

০০০০

গোলাঘাটৰ সমন্বয় ক্ষেত্ৰত আজিৰে পৰা ৩ দিনীয়া কাৰ্যসূচীৰে অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ একবিংশতিতম কেন্দ্ৰীয় দ্বিবাৰ্ষিক অধিবেশন আৰম্ভ হৈছে। এই অধিবেশনৰ বাবে ১৫ খন উপ সমিতিয়ে ৰাজ্যখনৰ বিভিন্ন স্থানৰ পৰা অহা ৫ হাজাৰ প্ৰতিনিধিক আদৰণি জনাই আপ্যায়নৰ বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। আজি প্ৰথম দিনাৰ কাৰ্যসূচীত সভাপতি পলাশ চাংমাই সংগঠনৰ পতাকা উত্তোলন কৰি অসমত পূৰ্ণ স্বায়ত্ত শাসন আৰু দ্বি-নাগৰিকত্ব ব্যৱস্থা প্ৰৱৰ্তন কৰিবলৈ চৰকাৰলৈ দাবী জনায়।

০০০০

কাৰ্বি আংলং জিলাৰ বোকাজানত আজি উজনিমুৰা ইণ্টাৰছিটি ৰে'লত এশ ৰাউণ্ড পইণ্ট ২২ পিষ্টলৰ গুলিসহ আৰক্ষী এগৰাকী প্ৰাক্তন সেনা জোৱানক আটক কৰে। আটকাধীন প্ৰাক্তন সেনা জোৱানজন ডিমাপুৰৰ পৰা লিডুলৈ ৰে'লযোগে গৈ আছিল। ধৃত লোকজনৰ নাম নাওনি কন্যাক বুলি আৰক্ষী সূত্ৰত প্ৰকাশ কৰা হৈছে।

০০০০

ধেমাজি জিলা আৰু ছেচন ন্যায়াধীশৰ আদালতে আজি ধৰ্ষণৰ গোচৰত দোষী সাব্যস্ত এজন লোকক ৩০ বছৰৰ সশ্ৰম কাৰাদণ্ডৰ লগতে ৫০ হাজাৰ টকাৰ জৰিমনা বিহে। ন্যায়াধীশ কৌশিক হাজৰিকাৰ বিচাৰপীঠে আজি ধেমাজি জিয়াঢলৰ ৰামেশ্বৰ দলে নামৰ লোকজনক ৩০ বছৰৰ সশ্ৰম কাৰাদণ্ডৰ লগতে ৫০ হাজাৰ টকাৰ জৰিমনা বিহে। জৰিমনা অনাদায়ে তেওঁ অতিৰিক্ত ৩ বছৰ কাৰাবাস খাটিব লাগিব বুলিও ৰায়টোত কোৱা হৈছে। ২০২৪ চনত এগৰাকী নাবালিকাক ধৰ্ষণৰ গোচৰত ৰামেশ্বৰ দলেৰ বিৰুদ্ধে ধেমাজি আৰক্ষী থানাত গোচৰ ৰুজু কৰা হৈছিল। আদালতে বাদী আৰু বিবাদী পক্ষৰ যুক্তি-তৰ্ক শুনাৰ পাছত অভিযুক্ত দলেক দোষী সাব্যস্ত কৰে আৰু আজি তেওঁৰ বিৰুদ্ধে শাস্তি ঘোষণা কৰে। আনহাতে ২০২০ চনত চিলাপথাৰত সংঘটিত নাবালিকা ধৰ্ষণৰ আন এটা গোচৰ সন্দৰ্ভত আজি একেখন আদালতেই পৰিতোষ মণ্ডল নামৰ আন এজন অভিযুক্তক ৫ বছৰ সশ্ৰম কাৰাদণ্ডৰ ৰায়দানৰ লগতে ১০ হাজাৰ টকাৰ জৰিমনা বিহে। জৰিমনা আদায় নিদিলে ৬ মাহৰ অতিৰিক্ত কাৰাদণ্ড দিয়া হ'ব। ২০২০ চনত নাবালিকা ধৰ্ষণৰ অভিযোগত পৰিতোষ মণ্ডলৰ বিৰুদ্ধে চিলাপথাৰ আৰক্ষী থানাত গোচৰ ৰুজু কৰা হৈছিল। ন্যায়াধীশ কৌশিক হাজৰিকাৰ আদালতে আজি ২০২৪ চনত ধেমাজি আৰক্ষী থানাত ৰুজু হোৱা আন এগৰাকী নাবালিকা ধৰ্ষণৰ গোচৰত অভিযুক্ত ধেমাজি পাঁচআলিৰ ললিত বৰা নামৰ এজন লোকৰ বিৰুদ্ধেও ছবছৰৰ সশ্ৰম কাৰাদণ্ডৰ উপৰি ১০ হাজাৰ টকাৰ জৰিমনা বিহে। আদালতে এই তিনিওগৰাকী অভিযুক্তক পকছ' আইনৰ অধীনত দোষী সাব্যস্ত কৰি এই গুৰুত্বপূৰ্ণ ৰায়দান কৰে বুলি চৰকাৰী পক্ষৰ অধিবক্তাৰ উদ্ধৃতি দি আমাৰ ধেমাজিৰ সংবাদদাতাই জানিবলৈ দিছে।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি লক্ষ্ণৌত হ'বলগীয়া এখন খেলত লক্ষ্ণৌ চুপাৰ জায়েণ্টছ, মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

যোৱানিশা কলকাতাৰ ইডেন গাৰ্ডেনছত অনুষ্ঠিত এখন খেলত কলকাতা নাইট ৰাইডাৰ্ছে ছান ৰাইজাৰ্ছ হায়দৰাবাদক ৮০ ৰানত পৰাস্ত কৰে। ছানৰাইজাৰ্ছ হায়দৰাবাদে ২০১ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৬ অভাৰ আৰু ৪টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১২০ ৰানহে কৰিবলৈ সমৰ্থ হয়।

০০০০

সমাপ্ত